আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, JANUARY 5, 2024>> 10 PM
www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।।প্ৰথম বছৰ, সংখ্যা ১১
Guwahati, Assam ।। মূল্যঃ এটকা

## ২৪ ঘণ্টালৈ হ্ৰাস চালকৰ ধৰ্মঘট, গোগামুখ-গৌৰীপুৰত লাঠিচালনা

# ৰাজ্যত হিমন্ত বিশ্ব শৰ্মাৰ দিনত প্ৰথমটো ‘সফল প্ৰতিবাদ’!

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৫ জানুৱাৰীঃ** ডঃ হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰীৰ পদবীত বহাৰ পাছতে প্ৰথমবাৰ অসমত কোনো প্ৰতিবাদ ইমান শক্তিশালী ৰূপত সফল হোৱা দেখা গৈছে। প্ৰতিবাদ দমনৰ মাষ্টাৰমাইণ্ড হিচাপে খ্যাত ডঃ হিমন্ত বিশ্ব শৰ্মাৰ দিনত প্ৰথমটো সৰ্বাত্মক বন্ধ তথা প্ৰতিবাদী কাৰ্যসূচী সফল কৰিছে চালকসকলে। শুকুৰবাৰে পুৱাৰে পৰা ৰাজ্যৰ ৰাজপথত স্তব্ধ কৰি পেলায় ৰাজ্যৰ মটৰ চালকসকলে। চালকক কঠোৰ কাৰাদণ্ড বিহা ক'লা আইন বাতিলৰ দাবীত ৰাজ্যৰ চালকসকলে সৰ্বাত্মক বন্ধ কাৰ্যসূচী পালন কৰে। এই কাৰ্যসূচীত বাধা দিবলৈ প্ৰয়াস কৰিও শেষ মুহূৰ্তত অসম আৰক্ষী বিফল হয়। অৱশ্যে শুকুৰবাৰে আবেলি ৪৮ ঘণ্টীয়া ■ শেষাংশ ২নং পৃষ্ঠাত



# সাংবাদিকক প্ৰহাৰ নগাঁও জিলা আয়ুক্তৰ

## প্ৰশ্ন সোধা বাবেই খং!

**ই-সংবাদ, নগাঁও, ৫ জানুৱাৰীঃ** ৰাজ্যত এতিয়া আৰম্ভ হৈছে আমোলাৰাজ আৰু পুলিচৰাজ। অসমীয়া ডেকাক ভুৱা এনকাউণ্টাৰ কৰি চৌদিশে বিতৰ্কত সোমাই পৰা প্ৰশাসন আৰু অসম আৰক্ষীয়ে এইবাৰ নেৰিলে সাংবাদিককো। এইবাৰ সন্ত্ৰাসবাদীৰ দৰেই ব্যৱহাৰ কৰি সাংবাদিকক প্ৰহাৰ কৰিলে জিলা আয়ুক্ত আৰু আৰক্ষীয়ে। এই ঘটনা ■ শেষাংশ ৩নং পৃষ্ঠাত



# ১২ জনৰ প্ৰাণ কাঢ়ি নিয়া ‘কয়লাৰ ট্ৰাক’ৰ কি ৰহস্য ?

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৫ জানুৱাৰীঃ** দেৰগাঁৱৰ বালিজানৰ হৃদয় বিদাৰক ঘটনাৰ পিছতে চৰ্চালৈ আহিছে ৰাজ্যত চলি থকা অবৈধ কয়লাৰ চিণ্ডিকেট। দেৰগাঁৱত ৩ জানুৱাৰীৰ পুৱা বনভোজলৈ বুলি ৰাওনা হোৱা এখন আল্ট্ৰা বাছৰ সৈতে মুখামুখি সংঘৰ্ষ ঘটিছিল এখন কয়লা সৰবৰাহ কৰা ট্ৰাকৰ। দুৰ্ঘটনাই মুহূৰ্ততে প্ৰাণ কাঢ়ি নিছিল শিশুসহ ১২ জনকৈ লোকৰ। আনহাতে আহত হৈছিল ৩৩ জন। এতিয়াও হাস্পতালৰ বিচনাত সংকটজনক অৱস্থাত জীৱন-মৃত্যুৰ সৈতে যুঁজি আছে কেইবাজনেও। সেই নিশাই গোলাঘাটৰ বছা ভৰলুৱা গাঁৱৰ ৰাজহুৱা শ্মশানত যেতিয়া ১২ জন গাঁওবাসীৰ চিতা দাও দাওকৈ জ্বলিছিল, একে সময়তে হৃদয় জ্বলিছিল ৩ কোটি অসমীয়াৰ! দুৰ্ঘটনাৰ পিছত প্ৰায় প্ৰতিটো সংবাদ মাধ্যমতে ■ শেষাংশ ৩নং পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমন্ত বিশ্ব শৰ্মাৰ দিনত ৰাজ্যত প্ৰথমটো

চ'কা বন্ধ কাৰ্যসূচীক ২৪ ঘণ্টালৈ হ্ৰাস কৰাৰ কথা ঘোষণা কৰে মটৰ পৰিবহন শ্ৰমিক সন্থাই৷ এই অনুযায়ী শনিবাৰে পুৱা ৫ বজাৰে পৰা পুনৰ চলাচল কৰিব বাণিজ্যিক বাহনসমূহ৷ সদৌ অসম মটৰ শ্ৰমিক যৌথ মঞ্চৰ নেতাসকলে আজি ৰাজ্যিক পৰিবহণ বিভাগৰ সৈতে আলোচনাত বহাৰ পাছতে এই সিদ্ধান্ত গ্ৰহণ কৰে। পৰিবহণ বিভাগৰ বিষয়া আৰু মটৰ শ্ৰমিক সন্থাৰ নেতাসকলৰ মাজত ৫ ঘণ্টা দীঘলীয়া আলোচনা অনুষ্ঠিত হয়৷ আলোচনাৰ অন্তত ৪৮ ঘণ্টীয়া ধৰ্মঘটক ২৪ ঘণ্টালৈ হ্ৰাস কৰাৰ সিদ্ধান্ত লয় সন্থাই৷ ২৪ ঘণ্টালৈ হ্ৰাস কৰাৰ সিদ্ধান্ত লৈ নেতৃত্বই কয় যে আইনখন এতিয়াও কাৰ্যকৰী কৰা হোৱা নাই। পৰিবহণ বিভাগে এই ক্ষেত্ৰত চৰকাৰে পদক্ষেপ ল'ব বুলি আশ্বাস দিয়াত সৈমান হয় মটৰ শ্ৰমিক সন্থা৷ উল্লেখ্য যে, শুকুৰবাৰে পুৱা ৫ বজাৰ পৰা অসমৰ মটৰ পৰিবহন শ্ৰমিকসকলৰ চ'কা বন্ধ কাৰ্যসূচী সৰ্বাত্মক হোৱা দেখা যায়৷ অসমৰ প্ৰান্তে প্ৰান্তে ক্ষুব্ধ চালকসকলে ৰাজপথলৈ ওলাই আহি বন্ধ কাৰ্যসূচী সফল কৰে৷ কোনো কোনো স্থানত বন্ধৰ সমৰ্থক চালকসকলে সামন্য হিংসাত লিপ্ত হোৱাও পৰিলক্ষিত হৈছে৷ দুই এক ঠাইত প্ৰতিবাদী চালকে বন্ধ নমনা চালকক লপা-ধপা দিয়া ঘটনাও সংঘটিত হয়৷ এই খবৰ লাভ কৰাৰ পাছতে মটৰ-পৰিবহন শ্ৰমিকক নেতৃত্ব দিয়া ৰূপম দত্তই চালকসকলক হিংসা পৰিহাৰ কৰিবলৈ আহ্বান জনায়৷ কৰ্মবিৰতিৰ সময়ত সকলো চালকক সুস্থ ভাবে অংশ লোৱাৰ লগতে প্ৰতিবাদক সহাঁৰি জনোৱা চালকৰ সৈতে হিংসাত্মক কাৰ্য নকৰিবলৈ উপদেশ দিয়ে ৰূপম দত্তই৷ কিন্তু গুৱাহাটীৰ আইএছবিটিত একাংশ লোকে ৰূপম দত্তক অপদস্থ কৰিবলৈ প্ৰয়াস কৰে৷ ৰূপম দত্তৰ সৈতে বাক-বিতণ্ডাত লিপ্ত হোৱাত পৰিস্থিতি উত্তপ্ত হয়৷ অগ্নিশৰ্মা ৰূপম দত্তই প্ৰত্যুত্তৰ দি কয় যে ৰাইজৰ বেছি অসুবিধা হ'লে প্ৰয়োজনত যদি কৰ্মবিৰতি প্ৰত্যাহাৰ কৰিবলগীয়া হয় তেন্তে সেয়াও কৰা হ'ব৷ 'এতিয়া কেৱল পানী গৰমহে কৰিছো, আলু-দাইল দিবলৈ আছে৷ অমিত শ্বাহে যিখন মুখেৰে সদনত আইন আনিছিল তেনেকৈয়ে সদনত আইনখন বাতিল কৰিব লাগিব৷'-দত্তই কয়। ইফালে, অসমৰ কেইবাঠাইত ৰাজপথলৈ ওলাই অহা প্ৰতিবাদী চালকক ছত্ৰভংগ দিয়াবলৈ অসম আৰক্ষীয়ে লাঠিচালনা কৰে৷ ধেমাজি জিলাৰ গোগামুখ আৰু ধুবুৰী জিলাৰ গৌৰীপুৰত লাঠিচালনা কৰে আৰক্ষীয়ে৷ ধুবুৰী জিলাৰ গৌৰীপুৰত চালকক লাঠিচালনা কৰাত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়৷ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰেই গৌৰীপুৰত পুৱাই চালকসকল ৰাজপথলৈ ওলাই আহে৷ ৰাজপথত বাণিজ্যিক বাহন চলোৱাত বাধা দিয়াৰ সময়তে প্ৰতিবাদকাৰীক ছত্ৰভংগ দিবলৈ আৰক্ষীয়ে লাঠীচালনা কৰে৷ কেইবাজনো প্ৰতিবাদী চালকক খেদি খেদি প্ৰহাৰ কৰাৰ লগতে আটক কৰে গৌৰীপুৰ আৰক্ষীয়ে৷ গৌৰীপুৰ আৰক্ষীৰ এনে কাণ্ডক ধিক্কাৰ দিছে মটৰ শ্ৰমিক সংগঠনে৷ ধেমাজি জিলাৰ বাণিজ্যিক চহৰ গোগামুখ আৰু ঢকুৱাখনাতো ধৰ্মঘট সৰ্বাত্মকভাৱে পালন কৰা দেখা যায়। পুৱা মটৰ শ্ৰমিকসকলে গণতান্ত্ৰিক প্ৰতিবাদ সফল কৰিবলৈ ৰাজপথলৈ ওলাই আহে৷ ঢকুৱাখনা-গোগামুখত বাণিজ্যিক বাহনৰ চলাচল সম্পূৰ্ণৰূপে বন্ধ হোৱাত স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হয়। মটৰ শ্ৰমিকৰ গণতান্ত্ৰিক প্ৰতিবাদ বিফল কৰিবলৈ গোগামুখ আৰক্ষীয়ে নিৰ্লজ্জ পন্থা গ্ৰহণ কৰে। প্ৰতিবাদকাৰীক নিয়ন্ত্ৰণ কৰিবলৈ গোগামুখ আৰক্ষীয়ে দুপৰীয়া লাঠিচালনা কৰি বৰ্বৰভাৱে চালকক প্ৰহাৰ কৰে। প্ৰতিবাদকাৰীৰ ওপৰত গোগামুখ আৰক্ষীয় জপিয়াই পৰি লাঠিচালনা কৰাত কেইবাগৰাকী চালক আহত হোৱাৰ লগতে মটৰ পৰিবহন শ্ৰমিক নেতা ৰবীন পেগু আৰু নৱ দলেক থানাত আৱদ্ধ কৰাত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়৷ জামুগুৰিহাটত ৰাষ্ট্ৰীয় ঘাইপথত জীয়া ভৰলী দলঙত চালকসকলে পথ বন্ধ কৰি প্ৰতিবাদ সাব্যস্ত কৰাত পথত বহু যান-বাহন আৱদ্ধ হৈ পৰে। বঙাইগাঁৱৰ শাকতোলাতো ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰাত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়৷ বঙাইগাঁৱৰ আৰক্ষী অধীক্ষকে খোদ প্ৰতিবাদস্থলীত উপস্থিত হৈ চালকসকলক সৈমান কৰিবলৈ প্ৰয়াস কৰাত চালকসকলে আৰক্ষী অধীক্ষকৰ সৈতে তৰ্ক যুদ্ধত লিপ্ত হয়৷ লখিমপুৰ, চাপৰ, খাৰুপেটীয়া, তেজপুৰ, কলিয়াবৰ, কৰিমগঞ্জ, কামপুৰতো প্ৰতিবাদী চালকে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে৷ গুৱাহাটী মহানগৰীত চালকৰ ধৰ্মঘটৰ বাবে হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়৷ গুৱাহাটীৰ বাছস্থানসমূহত যাত্ৰীয়ে বোন্দাপৰ দিবলগীয়া হয়৷ গুৱাহাটীৰ যাত্ৰীৰ বাবে চৰকাৰী চিটি বাছেই আজি অন্তিম ভৰষা হৈ পৰে৷ চালকৰ কৰ্মবিৰতিৰ ফলত বেচৰকাৰী বাছ, অ'লা-উবেৰ সেৱাও বন্ধ আছিল৷ সমানে গুৱাহাটীত বাণিজ্যিক ট্ৰাক, টেক্সি, মেজিক আদি সম্পূৰ্ণ ৰূপে বন্ধ থকা দেখা যায়৷ খানাপাৰা আৰু আইএছবিটিত দূৰণিবটীয়া যাত্ৰীয়ে ঘণ্টাৰ পাছত ঘণ্টা বাছৰ বাবে ৰৈ থাকিবলগীয়া পৰিস্থিতিৰো উদ্ভৱ হয়৷

# হিট এণ্ড ৰাণ আইন প্ৰত্যাহাৰৰ দাবী বিশ্বনাথ জিলা কংগ্ৰেছৰ

**ই-সংবাদ, ৫ জানুৱাৰীঃ** কেন্দ্ৰীয় চৰকাৰে যান বাহন নতুন আইন প্ৰণয়ন কৰাৰ পিছতেই সমগ্ৰ ৰাজ্যজুৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে চালকসকলে। অসমৰ মটৰ শ্ৰমিক সংগঠন সমুহৰ যৌথ মঞ্চই আজি পুৱা ৫ বজাৰে পৰা কাৰ্যকৰী হোৱাকৈ ৪৮ঘন্টীয়া চকা বন্ধ কাৰ্যসুচী ৰূপায়ন কৰিছে। মটৰ শ্ৰমিক সংগঠনৰ এই চকা বন্ধৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাইছে বিশ্বনাথ জিলা কংগ্ৰেছে। এক বিবৃতিযোগে বিশ্বনাথ জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক তথা মুখপাত্ৰ তুষাৰ বৰাই কয় যে,কেন্দ্ৰীয় চৰকাৰে চালক সকলৰ ওপৰত হিট এণ্ড ৰাণ নামৰ যি কলা আইন প্ৰৱৰ্তন কৰিছে এই কলা আইনখন চৰকাৰে অতি শীঘ্ৰেই প্ৰত্যাহাৰ কৰিব লাগে। এই আইনখনে চালক সকলৰ জীৱন নিৰাপত্তাৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। চালকসকলে কোনো দুৰ্ঘটনা সংঘটিত কৰিলে ১০ লাখ টকাৰ জৰিমণাৰ লগতে ৭বছৰ পৰ্যন্ত সশ্ৰম কাৰাদণ্ড হব। এই আইনখনৰ বিৰুদ্ধে সমগ্ৰ দেশজুৰি যোৱা ১ জানুৱাৰীৰ পৰাই তীব্ৰ প্ৰতিবাদ কৰি আছে বিভিন্ন মটৰ পৰিবহন শ্ৰমিক সংগঠনে।সমান্তৰালভাৱে বিশ্বনাথ জিলাতো চালকসকলে চৰকাৰৰ এই কলা আইনৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। চৰকাৰে এই আইনখন প্ৰত্যাহাৰ নকৰা পৰ্যন্ত এই প্ৰতিবাদ অনিৰ্দিষ্ট কাললৈ চলি থাকিব বুলিও মটৰ শ্ৰমিক সংগঠন সমুহে চৰকাৰক সকীয়নি প্ৰদান কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ১২ জনৰ প্ৰাণ কাঢ়ি নিয়া ‘কয়লাৰ ট্ৰাক’ৰ কি ৰহস্য ?

দুৰ্ঘটনাগ্ৰস্ত বাছখনৰ বিষয়ে বাতৰি প্ৰকাশ পায়। বাছখনৰ জন্ম পঞ্জিকা উদ্ধাৰ কৰি বাতৰিৰ শিৰোনামত স্থান দিয়া হয়। একে সময়তে পুৱাই বনভোজলৈ উলহ- মালহেৰে ওলাই অহা ১২ জন অসমীয়াৰ মৃত্যুৰ বাতৰিয়ে শোকবিহ্বল কৰি ৰাখে সকলোকে। আৰু এই সকলোবোৰৰ মাজত যেন হেৰাই যায় দুৰ্ঘটনাত পতিত আনখন বাহনৰ খবৰ! সেই কয়লাভৰ্তি বাহনখনৰ বিষয়ে খুব কম সংখ্যক বাতৰিহে প্ৰকাশ পোৱাত ট্ৰাকখনৰ বিষয়ে অধিক জানিবলৈ উত্কণ্ঠা বাঢ়ে সচেতন নাগৰিকৰ। জানিব পৰা মতে, ভয়ংকৰ দুৰ্ঘটনাত সম্পূৰ্ণৰূপে বিধ্বস্ত হৈ পৰা বাছখনৰ ১১ জন যাত্ৰীৰ লগতে থিতাতে প্ৰাণ হেৰুৱাইছিল ট্ৰাকখনৰ চালক নুৰ আলম আহমেদেও। অভিযোগ উঠিছিল- পুৱতি নিশা মাৰ্ঘেৰিটাৰ পৰা কয়লা সৰবৰাহ কৰি আহি আছিল নুৰ আলম আহমেদ। অভয়াপুৰীৰ বেহুলাপাৰাত ঘৰ নুৰ আলম আহমেদৰ। এএছ ০১ পিচি ০৬৪৮ নম্বৰৰ ১৪ চকীয়া ট্ৰাকখনো আছিল তেওঁৰ নিজৰে। দুই সন্তানৰ পিতৃ নুৰে নিজেই চলাইছিল ট্ৰাকখন। তথ্য অনুসৰি, ২০২২ চনৰ এপ্ৰিল মাহত গুৱাহাটীৰ পৰিবহণ বিষয়াৰ কাৰ্যালয়ত ট্ৰাকখন পঞ্জীয়ন কৰা হৈছিল। নুৰ আলমে পিতৃ আব্দুল বাৰেকৰ নামত ট্ৰাকখন পঞ্জীয়ন কৰিছিল বুলি স্থানীয় লোকসকলে জানিবলৈ দিছে। ইফালে প্ৰাথমিক অনুসন্ধানৰ অন্তত ট্ৰাকখনৰ ফিটনেছ, ইঞ্চুৰেন্সকে ধৰি যাৱতীয় নথি-পত্ৰ ঠিকেই আছে বুলি জনাইছিল আৰক্ষীয়েও। জানিব পৰা মতে, দুৰ্ঘটনাৰ পূৰ্বে ভাড়াৰ বাবে ট্ৰাকখন লৈ তিনিচুকীয়াৰ তিৰাপ গাঁওলৈ গৈছিল নুৰ আলম আহমেদ। তাত থকা মেচাৰ্ছ এছ বি এণ্টাৰপ্ৰাইজৰ পৰা কয়লা বোজাই কৰি আহি থকাৰ সময়তে ৩ জানুৱাৰীৰ পুৱা সংঘটিত হয় লোমহৰ্ষক দুৰ্ঘটনাটো। দুৰ্ঘটনাৰ অন্যতম কাৰণ ট্ৰাকখনৰ অত্যাধিক লোড বুলি সন্দেহ কৰা হৈছে। দুৰ্ঘটনাত পতিত ১৪ চকীয়া ট্ৰাকখনত অনুমোদিত ওজনতকৈ প্ৰায় ৩ গুণ অধিক কয়লা সৰবৰাহ কৰা হৈছিল। ট্ৰাকখনত থকা মুঠ কয়লাৰ ওজন আছিল ৮৫ টন। কিন্তু ১৪ চকীয়া ট্ৰাকৰ বাবে অনুমোদিত সৰ্বাধিক ওজন হৈছে কেৱল ৩০ টন। এনে পৰিপ্ৰেক্ষিতত অত্যাধিক বোজাই লৈ ৰাওনা হোৱাৰ বাবেই ট্ৰাকখনে এই দুৰ্ঘটনা সংঘটিত কৰা বুলিও একাংশই দাবী কৰিছে। দুখন ইনভয়চত ট্ৰাকখনৰ জৰিয়তে সৰবৰাহ কৰা হৈছিল এই ৮৫ টন কয়লা। অত্যাধিক কয়লা বোজাই কৰি নিয়া এই ট্ৰাকখনে তিনিচুকীয়াৰ তিৰাপ গাঁৱৰ মেচাৰ্ছ এছ বি এণ্টাৰপ্ৰাইজৰ পৰা ২ জানুৱাৰীত গোলোকগঞ্জৰ অজয় কুমাৰ মণ্ডলক দিবলৈ ৫৬.৫৩ টন কয়লাৰ বাবে লৈছিল ই-ৱে বিল। ঠিক সেইদৰে ট্ৰাকখনে ৩ জানুৱাৰীতো বঙাইগাঁৱৰ বেলতলা বালাপাৰাৰ এটা ইটাভাটাত দিবৰ বাবে মেচাৰ্ছ এছ বি এণ্টাৰপ্ৰাইজৰ নামত লৈছিল ২৯.১৯ টনৰ ই-ৱে বিল। ২ জানুৱাৰীৰ ৫৬.৫৩ টন কয়লাৰ ইনভইচৰ মূল্য ২,৮৯,৭১৬ টকাৰ বিপৰীতে ই-ৱে বিলখন ইছ্যু কৰা হৈছিল ২ জানুৱাৰীত বিয়লি প্ৰায় ৫ বজাত। আশ্চৰ্যজনকভাৱে, ট্ৰাকখনে সৰবৰাহ কৰা ৮৫ টন কয়লাৰ ভিতৰত ৫৬.৫৩ টন কয়লাৰ বাবে ই-ৱে বিল ২ জানুৱাৰীৰ সন্ধিয়া ইছ্যু কৰা হ’লেও বাকী ২৯.১৯ টনৰ বাবে ই-ৱে বিল ইছ্যু কৰা হৈছিল ৩ জানুৱাৰীৰ বিয়লি ২ বজাৰ পিছতহে। পিছে সেইদিনা পুৱাৰ ভাগতেই দেৰগাঁৱৰ বালিজানত দুৰ্ঘটনাত পতিত হৈছিল এই ট্ৰাকখন। এনে পৰিপ্ৰেক্ষিতত দুৰ্ঘটনাৰ পিছত কিদৰে ট্ৰাকখনে কঢ়িয়াই নিয়া কয়লাৰ বাবে ই-ৱে বিল ইছ্যু কৰা হ’ল’ সেয়া এক ৰহস্য হৈ পৰিছে। ইফালে ট্ৰাকখনৰ ৫৬.৫৩ টন কয়লাৰ বাবে ২ জানুৱাৰীত এছ বি মেচাৰ্ছ এণ্টাৰপ্ৰাইজে ই-ৱে বিল ইছ্যু কৰিছিল গোলকগঞ্জৰ নিবাসী অজয় কুমাৰ মণ্ডলৰ নামত। কিন্তু ইয়াক লৈও সৃষ্টি হৈছে তীব্ৰ ৰহস্যৰ। কিয়নো গোলকগঞ্জৰ অজয় কুমাৰ মণ্ডলে দাবী কৰা মতে, তেওঁ কোনো ধৰণৰ কয়লা আমদানি কৰাই নাছিল। আনকি তিনিচুকীয়াৰ এছ বি এণ্টাৰপ্ৰাইজৰ বিষয়েও নাজানে তেওঁ। গেজ এজেন্সীৰ সৈতে জড়িত ক্ষুদ্ৰ ব্যৱসায়ী অজয় কুমাৰ মণ্ডলে কয় যে তেওঁ কোনো ফালৰ পৰাই কয়লাৰ ব্যৱসায়ৰ সৈতে জড়িত নহয়, অথবা কয়লা বা অন্য কোনো বিষয়ক লৈ এছ বি এণ্টাৰপ্ৰাইজৰ সৈতে যোগাযোগো কৰা নাছিল তেওঁ। সৰুতেই এবাৰ তিনিচুকীয়াখন দেখা অজয় মণ্ডলে ডাঙৰ হোৱাৰ পিছত তিনিচুকীয়ালৈ এবাৰো অহা নাই বুলিও স্পষ্ট কৰে সংবাদ মাধ্যমৰ সন্মুখত। এনে পৰিপ্ৰেক্ষিতত তেওঁৰ জি এছ টি নম্বৰ ব্যৱহাৰ কৰি কয়লা সৰবৰাহ কৰা কাৰ্যক লৈ নিজেও আশ্বৰ্যচকিত হৈ পৰে অজয় মণ্ডল। সমান্তৰালভাৱে এতিয়া অধিক ৰহস্যঘন হৈ পৰিছে দুৰ্ঘটনাগ্ৰস্ত সেই ট্ৰাকখনে সৰবৰাহ কৰা কয়লাৰ আঁৰৰ কাহিনী। ইফালে বিভিন্ন সূত্ৰই দাবী কৰা মতে, ট্ৰাকখনে যি কয়লা সৰবৰাহ কৰিছিল, সেয়া আছিল কেঁচা কয়লা। ভাৰত চৰকাৰে কেঁচা কয়লা সৰবৰাহ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰাৰ পিছতো কিদৰে পুৱতি নিশা নুৰ আলম আহমেদে ট্ৰাকেৰে ৮৫ টন কেঁচা কয়লা সৰবৰাহ কৰিব পাৰিলে, সেয়াও এক প্ৰশ্নৰ বিষয় হৈ পৰিছে। প্ৰণিধানযোগ্য যে, তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাৰ পৰা এক বৃহত্ কয়লা চিণ্ডিকেট চলি থকাৰ অভিযোগ পূৰ্বৰে পৰাই উত্থাপন হৈ আহিছে। বিগত সময়ত যথেষ্ট চৰ্চিত হৈ পৰা এই চিণ্ডিকেটৰ নেতৃত্ব দিয়াৰ অভিযোগ বিজেপিৰে মাৰ্ঘেৰিটাৰ বিধায়ক ভাস্কৰ শৰ্মাৰ বিৰুদ্ধে।

# সাংবাদিকক প্ৰহাৰ নগাঁও জিলা

সংঘটিত হৈছে নগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত৷ গুৱাহাটীস্থিত এনবি নিউজ নামৰ এটা ব্যক্তিগত ছেটেলাইট নিউজ চেনেলৰ সাংবাদিক দীপাংকৰ মেধিক জিলা আয়ুক্তই প্ৰহাৰ কৰাৰ লগতে আৰক্ষীয়ে চোচোৰাই নিয়াৰ অভিযোগ উত্থাপন হৈছে৷ প্ৰাপ্ত খবৰ মতে, নগাঁও জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহক পেন্সন অনাদায় সম্পৰ্কত প্ৰশ্ন কৰিছিল সাংবাদিক দিপাংকৰ মেধিয়ে। তাতেই ক্ষুন্ন হৈ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ ভিতৰতে জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে সাংবাদিক মেধিক প্ৰহাৰ কৰে৷ প্ৰহাৰৰ পিছতে সাংবাদিক মেধিক আৰক্ষীয়ে চোচোৰাই নি আটক কৰাৰো অভিযোগ উত্থাপন হৈছে। ইতিমধ্যে নগাঁও আৰক্ষীয়ে সাংবাদিক মেধিক আটক কৰিছে৷ সাংবাদিকক প্ৰহাৰ আৰু আটক কৰাৰ অভিযোগৰ পাছতে নগাঁও জিলা আয়ুক্তৰ কাৰ্যালয় চৌহদত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়৷ জানিব পৰা মতে, সাংবাদিক মেধিয়ে পেন্সনৰ কামত বিলম্ব হোৱাৰ কাৰণ জানিবলৈ জিলা আয়ুক্তৰ কাৰ্যালয়লৈ গৈছিল৷ কাৰ্যালয়ত উপস্থিত হৈ প্ৰশ্ন সোধাত জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে প্ৰহাৰ কৰাৰ অভিযোগ উত্থাপন হৈছে৷ এই খবৰ প্ৰকাশ পোৱাৰ লগে লগে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় নগাঁও সদৰত৷ বিভাগৰ ব্যৰ্থতা স্বীকাৰ নকৰি কাৰ্যালয়ৰ ভিতৰত সাংবাদিকক প্ৰহাৰ কৰা বুলি একাংশ লোকে সামাজিক মাধ্যমত অভিযোগ আনিছে৷ আৰক্ষীয়ে সাংবাদিকক কুখ্যাত অপৰাধীৰ দৰে ব্যৱহাৰ কৰাত অসমত যে পুলিচৰাজ আৰু আমোলাৰাজ আৰম্ভ হৈছে তাৰ প্ৰমাণ বুলিও ক’ব খোজে একাংশ লোকে৷ এই ঘটনাক সাংবাদিক সংগঠনসমূহে তীব্ৰ নিন্দা কৰি উচিত তদন্ত কৰিবলৈ দাবী উত্থাপন কৰিছে৷ ঘটনা সন্দৰ্ভত কাইলৈ নগাঁৱত প্ৰতিবাদী কাৰ্যসূচী পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে নগাঁৱৰ সাংবাদিকসকলে৷ নগাঁও প্ৰেছ ক্লাবৰ সভাপতি যাদৱ শইকীয়া আৰু সম্পাদক অজিৎ কুমাৰ শইকীয়াই এক বিবৃতিযোগে কয় যে নগাঁও জিলা আয়ুক্তই গুৱাহাটীৰ জ্যেষ্ঠ সাংবাদিক দিপাংকৰ মেধিক শাৰিৰীকভাৱে অপদস্থ কৰাৰ বিৰুদ্ধে কাইলৈ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইফালে, সাংবাদিকক প্ৰহাৰৰ অভিযোগক নস্যাৎ কৰিছে জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে৷ সাংবাদিক আক্ৰমণৰ এই ঘটনাটোক লৈ নগাঁৱৰ লগতে সমগ্ৰ ৰাজ্যতে সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ।

# ক’লা আইনৰ বিৰুদ্ধে চালকৰ আন্দোলনক সমৰ্থন অখিল-লুৰীণৰ

**ষ্টাফ ৰিপ’ৰ্টাৰ, ৫ জানুৱাৰীঃ** সমগ্ৰ দেশত চালকসকলে কৰি অহা আন্দোলনক সমৰ্থন কৰি অসমৰ চালকসকলে ৫ জানুৱাৰীৰ পুৱাৰে পালন কৰিছে সৰ্বাত্মক ধৰ্মঘট৷ সমগ্ৰ ৰাজ্যত ধৰ্মঘট কাৰ্যসূচী সফল হোৱাৰ পাছতে ৰাজ্যৰ বিৰোধী দলসমূহে চালকসকলৰ প্ৰতিবাদক সমৰ্থন কৰাৰ ঘোষণা কৰে৷ অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলে এই আন্দোলনক সমৰ্থন কৰাৰ আনুষ্ঠানিক ঘোষণা কৰে৷ ফেচবুকত দিয়া এটা পোষ্টত অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে এই আন্দোলনক সমৰ্থ কৰাৰ ঘোষণা কৰে৷ লুৰীণজ্যোতি গগৈয়ে কয় মটৰ শ্ৰমিক ইউনিয়নৰ কৰ্মবিৰতিলৈ অসম জাতীয় পৰিষদে পূৰ্ণ সমৰ্থন আগবঢ়াইছে৷ তাৰ লগে লগে এক বিবৃতি জাৰি কৰি ৰাইজৰ দলেও চালকৰ প্ৰতিবাদক পূৰ্ণ সমৰ্থন কৰাৰ ঘোষণা কৰে৷ ৰাইজৰ দলে বিবৃতিত কয় যে কেন্দ্ৰীয় চৰকাৰৰ ভাৰতীয় ন্যায় সংহিতাৰ হিট এণ্ড ৰান গোচৰৰ শাস্তিৰ বিৰোধিতাৰে চালকসকলে গ্ৰহণ কৰা যান-বাহনৰ চলাচল বন্ধৰ ধৰ্মঘট কাৰ্যসূচীলৈ পূৰ্ণ সমৰ্থন আগবঢ়াইছে ৰাইজৰ দলে।

আনহাতে, ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে এই বিবৃতিত আৰু কয় যে  চালক বিৰোধী এই বিতৰ্কিত আইন অতিশীঘ্ৰে প্ৰত্যাহাৰ কৰিব লাগে। এজন গাড়ী চালকে দুৰ্ভাগ্যবশতঃও যদি কাৰোবাক খুন্দিয়াই তেন্তে সেই চালকজনে ১০ লাখ টকা জৰিমনা কেনেকৈ ভৰিব? এজন গাড়ীচালকৰ বাবে ১০ লাখ টকাৰ জৰিমনা সম্ভৱ নেকি? কেৱল মাত্ৰ জৰিমনা সংগ্ৰহৰ স্বাৰ্থত গাড়ীৰ চালকসকলৰ ওপৰত জাপি দিব খোজা এনেকুৱা এখন বিতৰ্কিত ক'লা আইন প্ৰত্যাহাৰ কৰিব লাগে অন্যথা চালকসকলৰ দাবীসমূহ মানি লৈ আইনত সংশোধনীৰ ব্যৱস্থা কৰিব লাগে। ইতিহাস ৰচনা কৰি দেশৰ সংসদৰ পৰা ১৪৩ জনতকৈ বেছি সাংসদক বহিস্কাৰ কৰি এনে বিতৰ্কিত আইন জনতাৰ ওপৰত জাপি দিয়াটো কিমান দূৰ গ্ৰহণযোগ্য বুলিও প্ৰশ্ন কৰে অখিল গগৈয়ে৷ বিজেপি চৰকাৰৰ ভুল আৰু হঠকাৰী সিদ্ধান্তৰ আজি দেশৰ জনতাই ফল ভুগিব লগা হৈছে বুলি দাবী কৰি গগৈয়ে আৰু কয় যে পেট্ৰ'ল-ডিজেলকে ধৰি অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰীৰ নাটনি দেখা দিছে ঠায়ে ঠায়ে। ৰাজ্যৰ বিভিন্ন ঠাইত সংঘটিত হৈছে বিক্ষিপ্ত ঘটনা। চৰকাৰৰ হঠকাৰী সিদ্ধান্তৰ বিৰুদ্ধে বাৰে বাৰে ৰাজপথত নামিবলৈ বাধ্য হয় জনতা। ৰাইজৰ দলে চালকসকলৰ এই প্ৰতিবাদলৈ পূৰ্ণ সমৰ্থন জনোৱাৰ লগতে ৪৮ ঘণ্টীয়া চকা বন্ধ কাৰ্যসূচীলৈ পূৰ্ণ সমৰ্থন আগবঢ়াইছে। অনাগত দিনটো চৰকাৰে এই বিতৰ্কিত ক’লা আইন বাতিল নকৰা পৰ্যন্ত চালক সকলৰ প্ৰতিবাদ আৰু দাবীৰ প্ৰতি সমৰ্থন জনাই যাব।



একাধিক চালক সন্থাই আহ্বান জনোৱা বন্ধৰ সৰ্বাত্মক প্ৰভাৱ দেখা গ’ল মহানগৰীতো, শুকুৰবাৰে

# আকৌ এছিয়াৰ আটাইতকৈ ধনী ব্যক্তিত পৰিণত গৌতম আদানি

## আম্বানীক চেৰ পেলাই বিশ্ব ৰেংকিঙত দ্বাদশ স্থান লাভ

**মুম্বাই, ৫ জানুৱাৰীঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অতি ঘনিষ্ঠ গৌতম আদানীৰ জয়জয়-ময়ময় অৱস্থা। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰত বিজেপি চৰকাৰ গঠন হোৱাৰ পাছৰে পৰা সমৃদ্ধি হোৱা গৌতম আদানীৰ ব্যৱসায়ীক সাম্ৰাজ্য বৃদ্ধি পাইছে। দেশৰ বৃহৎ বৃহৎ আঁচনি ৰূপায়ণৰ ঠিকা লাভ কৰা আদানীয়ে কম সময়ৰ ভিতৰতে আকৌ এবাৰ এছিয়াৰ ধনাঢ্য ব্যক্তিৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হৈছে। মুকেশ আম্বানীক চেৰ পেলাই পুনৰ ভাৰতৰ সবাতোকৈ ধনাঢ্য ব্যক্তিত উপনীত হৈছে আদানী গ্ৰুপৰ অধ্যক্ষ গৌতম আদানী। হিণ্ডেনবাৰ্গৰ প্ৰতিবেদনৰ পাছতে গৌতম আদানীৰ শ্বেয়াৰ তাচপাতৰ খহি পৰিছিল যদিও পুনৰ আগৰ ট্ৰেকলৈ আহিছে গৌতম আদানীৰ সাম্ৰাজ্য। প্ৰায় ৮টা মাহৰ অন্তত আকৌ এবাৰ গৌতম আদানি ভাৰতৰ আটাইতকৈ ধনী ব্যক্তিত পৰিণত হৈছে। ভাৰতত মুকেশ আম্বানীক পৰাস্ত কৰাৰ লগতে বিশ্ব ৰেংকিঙৰ শীৰ্ষ ১২ত স্থানত উপনীত হৈছে। বিশ্ব ৰেংকিঙত আম্বানী ১৩তম স্থানত আছে। যোৱা ২৪ ঘণ্টাত গৌতম আদানিৰ সম্পত্তি ৭.৬ বিলিয়ন ডলাৰ বৃদ্ধি পাইছে। মুকেশ আম্বানীৰ সম্পত্তি ৯৭ বিলিয়ন ডলাৰ। ব্লুমবাৰ্গ বিলিয়নেয়াৰৰ সূচকত মুকেশ আম্বানীক অতিক্ৰম কৰিছে আদানি গ্ৰুপৰ অধ্যক্ষ গৌতম আদানীয়ে। ইয়াৰ লগে লগে ভাৰতৰ লগতে এছিয়াৰ ধনী ব্যক্তিত পৰিণত হৈছে আদানী। বিশ্বব্যাপী দ্বাদশ স্থানত থকা আদানিৰ মুঠ মূল্য হৈছে ৯৭.৬ বিলিয়ন ডলাৰ। আদানিৰ শেহতীয়াকৈ ৭.৬৭ বিলিয়ন ডলাৰ সম্পত্তি বৃদ্ধি হৈছে। ২০২৩ চনত বিফলতা স্বত্বেও ভাৰতৰ আন্তঃগাঁথনি আৰু বিশ্বব্যাপী কয়লা ব্যৱসায়ত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে আদানীয়ে। আদানিৰ সম্পদ মুখ্যতঃ আদানি এণ্টাৰপ্ৰাইজেছ, আদানি গ্ৰীণ এনাৰ্জি, আদানি পোৰ্টছ, আদানি পাৱাৰ, আদানি ট্ৰেন্সমিচনকে ধৰি ছয়টা ব্যৱসায়ীক গোট আছে।



■ছত্তীশগড়ৰ মৈত্ৰীবাগ চিৰিয়াখানাত ‘ৰক্ষা’ নামৰ বগা বাঘিনিয়ে জন্ম দিয়া পোৱালি দুটা

## গুৱাহাটীত ৰে’ল ষ্টেচনৰ পৰা যুৱতীক অপহৰণ

**ই-সংবাদ, গুৱাহাটী, ৫ জানুৱাৰীঃ** নিৰাপত্তাৰক্ষীয়ে গিজ-গিজাই থকা গুৱাহাটী মহানগৰীত ৰে’ল ষ্টেচনৰ পৰা এগৰাকী যুৱতী অপহৰণৰ বলি হোৱাৰ অভিযোগ উত্থাপন হৈছে। পল্টনবজাৰস্থিতি গুৱাহাটী ৰে’ল ষ্টেচনৰ পৰা যুৱতীগৰাকী অপহৰণ হোৱা বুলি পৰিয়ালে অভিযোগ উত্থাপন কৰি আৰক্ষীৰ কাষ চাপিছে। জানিব পৰা মতে, যুৱতীগৰাকীৰ ঘৰ বৰাক উপত্যকাৰ কৰিমগঞ্জ জিলাত। যুৱতীগৰাকীয়ে ৰে’ল যোগে বাংগালুৰুৰ পৰা ঘৰলৈ আহি আছিল। তেনে সময়তে গুৱাহাটীত ৰে’লৰ পৰা দুৰ্বৃত্তই যুৱতীগৰাকীক অপহৰণ কৰাৰ সন্দেহ কৰিছে পিতৃ চুহাগদ্দিনে। যুৱতীক অপহৰণ কৰি দুৰ্বৃত্তই ফোনযোগে ধমক দিয়াৰো অভিযোগ আনে পৰিয়ালে।

## মোদীৰ বাৰাণসী সমষ্টিক বিশেষ গুৰুত্ব কংগ্ৰেছৰ

# ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা-ন্যায় যাত্ৰাক লৈ হ'ব ২০২৪ৰ ৰাজনীতি!

**নতুন দিল্লী, ৫ জানুৱাৰীঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা কাৰ্যসূচীত ব্যস্ত থকাৰ সময়তে ৰাহুল গান্ধী ব্যস্ত থাকিব ভাৰত জোড়ো ন্যায় যাত্ৰাত৷ ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা কাৰ্যসূচীৰ দ্বাৰা বিজেপি দল আৰু চৰকাৰে ভোটাৰৰ মন আকৰ্ষিত কৰিবলৈ প্ৰয়াস কৰাৰ সময়তে কংগ্ৰেছে ন্যায় যাত্ৰাৰ দ্বাৰা ভোটাৰক আকৰ্ষিত কৰাৰ প্ৰয়াস কৰিব৷ কংগ্ৰেছে ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাক ৰাম মন্দিৰ স্থাপন হোৱা ৰাজ্য উত্তৰ প্ৰদেশত অত্যাধিক গুৰুত্ব দিছে৷ যাত্ৰাৰ সময়ত অসমৰ পাছতে উত্তৰ প্ৰদেশত সৰ্বাধিক সময় অতিবাহিত কৰিব ৰাহুল গান্ধীয়ে৷ ৰাহুল গান্ধীৰ ন্যায় যাত্ৰা উত্তৰ প্ৰদেশত আটাইতকৈ দীঘলীয়া হ'ব। ন্যায় যাত্ৰা বিহাৰৰ চাচাৰামেৰে চান্দৌলি হৈ উত্তৰ প্ৰদেশৰ বাৰাণসীত প্ৰৱেশ কৰিব। বাৰাণসীৰ পৰা একালৰ কংগ্ৰেছৰ দুৰ্গ আমেঠি, ৰায়বৰেলী, প্ৰয়াগৰাজ, লক্ষ্ণৌ, সীতাপুৰ, শ্বাহজাহানপুৰ, বৰেলী, বদাউ, আলিগড়, হাথৰছ, মথুৰা, আগ্ৰা, লখিমপুৰ, চাহাৰণপুৰ, বিজনৌৰ, আলিগড়ত উপস্থিত হ'ব৷ উত্তৰ প্ৰদেশত কমেও ২০ খন জিলাত ১১ দিন পদযাত্ৰা কৰি আগ্ৰাৰ পৰা ৰাজস্থানত প্ৰৱেশ কৰিব ৰাহুলে৷ দেশৰ প্ৰথম প্ৰধানমন্ত্ৰী তথা গান্ধী পৰিয়ালৰ মুৰব্বী জৱাহৰলাল নেহৰুৱে প্ৰতিদ্বন্দ্বিতা কৰা এলাহাবাদ সমষ্টিকো সাঙুৰি ল'ব ৰাহুলে৷ কংগ্ৰেছে বাৰাণসীক বিশেষ গুৰুত্ব প্ৰদান কৰিব৷



কিয়নো বাৰাণসী সংসদীৰ সমষ্টিৰ পৰাই লোকসভা নিৰ্বাচনত জয়ী হৈ দেশৰ প্ৰধানমন্ত্ৰীৰ আসনত বহিছে নৰেন্দ্ৰ মোদী৷ পদযাত্ৰাৰ দ্বাৰা বাৰাণসীৰ ভোটাৰক আকৃষ্ট কৰিব খুজিব ৰাহুলে৷ বাৰাণসীত ৰোড শ্ব' আৰু জনসভা অনুষ্ঠিত কৰাৰো সম্ভাৱনা আছে৷ ৰাহুল গান্ধীয়ে উত্তৰ প্ৰদেশত ১,০৭৪ কিলোমিটাৰ পথ যাত্ৰা কৰিব। পূৰ্বে কংগ্ৰেছ দলৰ ভেটি শক্তিশালী জিলা তথা সংসদীয় সমষ্টিসমূহক গুৰুত্ব প্ৰদান কৰিব৷ এই আসনসমূহ ইণ্ডিয়া মিত্ৰজোঁটৰ পৰা কংগ্ৰেছে দাবী কৰিব পাৰে বুলিও চৰ্চা হৈছে৷ প্ৰায় ১১ দিনৰ অন্তত আগ্ৰা হৈ ৰাজস্থানত প্ৰৱেশ কৰিব পদযাত্ৰী। আনহাতে, কেইবা হাজাৰ উত্তৰ-পূৰ্বাঞ্চলৰ লোকক লৈ পদযাত্ৰাৰ শুভাৰম্ভ কৰিবলৈ সাজু হৈছে সাংসদ তথা কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰাহুল গান্ধী৷ ৰাহুল গান্ধীৰ সৈতে পদযাত্ৰী হ'ব উত্তৰ-পূৰ্বাঞ্চলৰ কংগ্ৰেছৰ নেতা-কৰ্মী৷ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে ১৪ জানুৱাৰীত হিংসা জৰ্জৰিত মণিপুৰৰ পৰা ন্যায় যাত্ৰা আৰম্ভ কৰিব৷ এই যাত্ৰাক লৈ উত্তৰ-পূৰ্বাঞ্চলৰ কংগ্ৰেছ কৰ্মীসকল উৎসাহী হোৱা দেখা গৈছে৷ ৰাহুল গান্ধীয়ে এই সময়ছোৱাত ১১০ খন জিলাত ৬৭০০ কিলোমিটাৰ অতিক্ৰম কৰিব। ৰাহুল গান্ধীয়ে সৰ্বাধিক সময় উত্তৰ প্ৰদেশ আৰু অসমত অতিবাহিত কৰিব৷ কংগ্ৰেছে গান্ধীৰ এই যাত্ৰাকালত অধিক গুৰুত্ব দিছে উত্তৰ প্ৰদেশ আৰু অসমক৷ মণিপুৰৰ পৰা যাত্ৰা আৰম্ভ কৰি নাগালেণ্ডৰ মাজেৰে অসমত প্ৰৱেশ কৰিব৷ ৬৬ দিনীয়া যাত্ৰাত ৰাহুল গান্ধীয়ে উত্তৰ-পূৰ্ব ৰাজ্য কেইখনক গুৰুত্বপূৰ্ণ দিব৷ অসমৰ কৃষ্টি-সংস্কৃতি আৰু বিভিন্ন সম্প্ৰদায়ৰ লোকৰ সৈতে মত-বিনিময় কৰিব। অসমত আঠ দিনত ৮৩৩ কিলোমিটাৰ অতিক্ৰম কৰি ১৭ খন জিলাক সাঙুৰি ল'ব৷ ৰাহুল গান্ধীৰ নেতৃত্বত এই যাত্ৰাৰ লক্ষ্য হৈছে পূৰ্বৰ ভাৰত জোড়ো যাত্ৰাৰ দৰে প্ৰভাৱশালী কৰা আৰু ১১০ খন জিলাত ৬৭০০ কিলোমিটাৰ অতিক্ৰম কৰা। এই যাত্ৰাৰ নাম দিয়া হৈছে 'বদলেগা ভাৰত, জিতেগা ইণ্ডিয়া!' মণিপুৰৰ পৰা আৰম্ভ কৰি প্ৰথম দিনটোত ১০৭ কিলোমিটাৰ অতিক্ৰম কৰিব৷ কংগ্ৰেছে ৪ জানুৱাৰীত ভাৰত জোড়ো ন্যায় যাত্ৰাৰ মানচিত্ৰ মুকলি কৰি ন্যায় যাত্ৰাক লৈ ৰাজনৈতিক পৰিৱেশ গৰম কৰাৰ প্ৰয়াস কৰিছে। বিজেপিয়ে ৰাম মন্দিৰক লৈ ৰাজনীতি আৰম্ভ কৰাৰ সময়তে কংগ্ৰেছে 'ভাৰত জোড়ো ন্যায় যাত্ৰা' আৰম্ভ কৰিছে৷ ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাই লোকসভা নিৰ্বাচনত বিজেপিক সহায় কৰিব সেয়া নিশ্চিত৷ বিজেপিৰ মন্দিৰ ৰাজনীতিক প্ৰত্যাহ্বান জনাই কংগ্ৰেছে আৰম্ভ কৰা ন্যায় যাত্ৰা কিমান ফলপ্ৰসূ হ'ব সেয়া সময়তহে ক'ব পৰা যাব৷ এই যাত্ৰা নাগালেণ্ড, অসম, অৰুণাচল প্ৰদেশ, মেঘালয় আৰু পশ্চিমবংগৰ বিভিন্ন জিলাৰ মাজেৰে পাৰ হ'ব। এই যাত্ৰাত বিহাৰ, ঝাৰখণ্ড আৰু ওড়িশা, ছত্তীশগড়, উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ আৰু ৰাজস্থানৰ মাজেৰে আগবাঢ়িব। ৰাহুলে থানে, মুম্বাই, মালেগাঁও আৰু নাছিকৰ দৰে গুৰুত্বপূৰ্ণ স্থানসমূহক স্পৰ্শ কৰি এই যাত্ৰা মহাৰাষ্ট্ৰত সমাপ্তি কৰিব। ৰাহুল গান্ধীয়ে ন্যায় যাত্ৰাত ১০০ টা সংসদীয় সমষ্টি আৰু ১১০ খন জিলাৰ সৈতে জড়িত ৬,৭১৩ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰি ১৫ খন ৰাজ্যক সংযোগ কৰিব।

# চেঙেলেৰে প্ৰহাৰ কৰিছিল প্ৰধান শিক্ষয়িত্ৰীক

# প্ৰধান শিক্ষয়িত্ৰী আক্ৰমণ কাণ্ডৰ অভিযুক্ত আতিকুৰ ৰহমানক গ্ৰেপ্তাৰ

**ই-সংবাদ, বৰপেটা, ৫ জানুৱাৰীঃ** বৰপেটা জিলাৰ কলগাচিয়া আৰক্ষী থানা এলেকাৰ প্ৰধান শিক্ষয়িত্ৰী আক্ৰমণ কাণ্ডৰ অভিযুক্ত ২৩ বছৰীয়া আতিকুৰ ৰহমানক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। পশ্চিম ডিমাপুৰ গাঁৱত অভিযান চলাই আৰক্ষীয়ে ৪ জানুৱাৰীৰ নিশা আতিকুৰ ৰহমানক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে ইতিমধ্যে আতিকুৰ ৰহমানৰ বিৰুদ্ধে ০১/২৪ নম্বৰত ভাৰতীয় দণ্ড বিধিৰ ২৪, ৩৪, ৩৫, ৩৫৫-৩৫ত গোচৰ ৰুজু কৰিছে। বৰপেটাৰ ৰূপসী প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত পশ্চিম ডিমাপুৰ প্ৰাথমিক বিদ্যালয়ত গুণোৎসৱৰ প্ৰস্তুতি চলি থকাৰ সময়তে ৩ জানুৱাৰীত এক অনাকাংক্ষিত ঘটনা সংঘটিত হয়। গুণোৎসৱৰ হেতুকে পশ্চিম ডিমাপুৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰীয়ে স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ হতুৱাই বিদ্যালয়খন চাফ-চিকুণ কৰিছিল। সেই সময়তে একাংশ কণ কণ ছাত্ৰই বিদ্যালয়ৰ সমীপৰ পথাৰত জাৱৰ-জোঁথৰ পেলাই দিয়ে। পথাৰত জাৱৰ-জোঁথৰ পেলাই দিয়াৰ দৰে সাধাৰণ কথাতে ভূমিৰ গৰাকী ছাৰহাব আলী আহমেদৰ পুত্ৰ আতিকুৰ ৰহমানে বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰীৰ সৈতে তৰ্কা-তৰ্কিত লিপ্ত হয়। কেৱল তৰ্কা-তৰ্কিতে নহয় অশ্লীল গালি-গালাজ পাৰে প্ৰধান শিক্ষয়িত্ৰীক। তাৰ পাছতে প্ৰধান শিক্ষয়িত্ৰীক চেঙেলেৰে প্ৰহাৰ কৰে। গুণোৎসৱৰ প্ৰস্তুতি চলাই থকা এখন স্কুলৰ প্ৰধান শিক্ষয়িত্ৰীক এনেদৰে মাৰধৰ কৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। লগতে সংবাদমাধ্যমৰ জড়িয়তে প্ৰধান শিক্ষয়িত্ৰীয়ে ঘটনাক লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰীৰ হস্তক্ষেপ দাবী কৰে। শিক্ষয়িত্ৰীগৰাকীয়ে এইখন বিদ্যালয়ৰ পৰা অইন বিদ্যালয়লৈ বদলি কৰাৰ আৰ্জি দি উচুপি উচুপি কান্দিবলৈ ধৰে। ঘটনাৰ কথা প্ৰচাৰ হোৱাত স্থানীয় ৰাইজে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰি অভিযুক্ত আতিকুৰ ৰহমানক গ্ৰেপ্তাৰৰ দাবী জনায়। শিক্ষয়িত্ৰীগৰাকীক প্ৰহাৰ কাণ্ডত ভাগি পৰে কণ কণ ছাত্ৰ-ছাত্ৰীসকল। ততাতৈয়াকৈ স্থানীয় চক্ৰ বিষয়া আৰু আৰক্ষী উপস্থিত হৈ ঘটনাৰ তদন্ত আৰম্ভ কৰি অভিযুক্তক আৰক্ষীৰ হাতত গতাই দিবলৈ কঠোৰ সকীয়নি প্ৰদান কৰে। ৰাইজক এই দায়িত্ব প্ৰদান কৰে। অৱশেষত আৰক্ষীয়ে অভিযান চলাই শিক্ষয়িত্ৰীক আক্ৰমণ কাণ্ডৰ অভিযুক্ত আতিকুৰ ৰহমানক গ্ৰেপ্তাৰ কৰি জেৰা অব্যাহত ৰাখিছে।



■বাবৰি মছজিদৰ মুছলমান পক্ষৰ মোকৰ্দমাকাৰী ইকবাল আনছাৰীক ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানলৈ আমন্ত্ৰণ, ইকবাল আনছাৰীৰ ঘৰলৈ গৈ শ্ৰী ৰাম জন্মভূমি তীৰ্থ ক্ষেত্ৰৰ হৈ আৰএছএছ কৰ্মীয়ে আমন্ত্ৰণ জনায়

## শীঘ্ৰে জৰুৰীকালীন অৱস্থা ঘোষণাৰ দাবী বিজেপিৰ

# পশ্চিমবংগত টিএমচি নেতাৰ ঘৰত অভিযান চলোৱা ইডিৰ দলক আক্ৰমণ




**কলকাতা, ৫ জানুৱাৰীঃ** পশ্চিমবংগত দুৰ্নীতিৰ তদন্তৰ বাবে যোৱা ইডিৰ দলক আক্ৰমণ কৰাৰ ঘটনাই দেশজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে৷ ইডি, চিবিআইৰ দৰে কেন্দ্ৰীয় তদন্তকাৰী সংস্থাসমূহৰ দ্বাৰা বিৰোধী দলৰ নেতাক ব্যতিব্যস্ত কৰা বুলি অভিযোগ উত্থাপনৰ মাজতে অ-বিজেপি শাসিত ৰাজ্যত এই কাণ্ড সংঘটিত হোৱাত চাঞ্চল্যৰ সৃষ্টি হয়৷ পশ্চিমবংগৰ উত্তৰ ২৪ পৰগণা জিলাৰ সন্দেশখালিত শুকুৰবাৰে প্ৰৱৰ্তন সঞ্চালকালয়ৰ (ইডি) দল আক্ৰমণৰ বলি হয়৷ ইডিৰ দলে লৈ যোৱা বাহনসমূহো ক্ষতিগ্ৰস্ত কৰা হয়৷ ইডিৰ দলটোৱে তথাকথিত ৰেচন কেলেংকাৰীৰ সন্দৰ্ভত শাসকীয় তৃণমূল কংগ্ৰেছৰ (টিএমচি) এজন কৰ্মীৰ ঘৰত তালাচী চলাবলৈ যোৱাৰ সময়তে চাঞ্চল্যকৰ কাণ্ড সংঘটিত কৰাৰ অভিযোগ উত্থাপন হৈছে৷ এই আক্ৰমণ কাণ্ড সংঘটিত হোৱাৰ পাছতে বিজেপিয়ে তৃণমূল কংগ্ৰেছক তীব্ৰ আক্ৰমণ আৰম্ভ কৰিছে৷ পশ্চিমবংগ বিজেপিৰ সভাপতি সুকান্ত মজুমদাৰে এই আক্ৰমণত আওপকীয়াকৈ ৰোহিংগীয়া জড়িত থকা বুলি অভিযোগ আনে৷ সুকান্ত মজুমদাৰে কয় যে তৃণমূলৰ সকলোৰে বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ আছে। এয়া স্বাভাৱিক যে ইডিয়ে পদক্ষেপ ল’ব। এই কথা খুব স্পষ্ট। পশ্চিমবংগৰ সন্দেশখালীত ইডিৰ ওপৰত হোৱা আক্ৰমণে দেখুৱাইছে যে ৰোহিংগীয়াসকলে ৰাজ্যখনৰ আইন-শৃংখলা ভংগ কৰিছে৷ ইপিনে ইডিয়ে কয় যে কেন্দ্ৰীয় বাহিনীৰ সুৰক্ষাত পুৱা উত্তৰ ২৪ পৰগণাত দুজন খণ্ড পৰ্যায়ৰ নেতা শ্বাহজাহান শ্বেখ, শংকৰ আধ্যা আৰু তেওঁলোকৰ আত্মীয়ৰ চৌহদত অভিযান চলাই আছিল৷ তেনে সময়তে এই আক্ৰমণ সংঘটিত হয়। ৰাজ্যৰ খাদ্য মন্ত্ৰী জ্যোতিপ্ৰিয়া মল্লিকক কথিত কেলেংকাৰীৰ সন্দৰ্ভত গ্ৰেপ্তাৰ কৰা হৈছে। টিএমচি নেতা কুনাল ঘোষে এই আক্ৰমণক উচটনিৰ প্ৰতিক্ৰিয়া বুলি বৰ্ণনা কৰি অভিযানক বিজেপি-অনুপ্ৰেৰিত বুলি অভিহিত কৰে। সান্দেশখালীত যি ঘটিছিল সেয়া এক প্ৰৰোচনা আছিল। পশ্চিমবংগত, কেন্দ্ৰীয় সংস্থা আৰু বাহিনীয়ে বিজেপিৰ নিৰ্দেশত কাৰোবাৰ ঘৰলৈ গৈছে। ইডিয়ে আন টিএমচি নেতা বা কৰ্মীসকলক হাৰাশাস্তি কৰিবলৈ, নেতিবাচক মন্তব্য বিয়পাবলৈ আৰু মানুহক উচটনি দিবলৈ এনে কৰিছে। কুনাল ঘোষে বিজেপিৰ নেতা সুভেন্দু অধিকাৰীক চোৰ বুলি অভিহিত কৰি কয় যে তেওঁৰ বাসগৃহত কোনো অভিযান চলোৱা হোৱা নাই৷ কেৱল টিএমচি নেতাসকলৰ চৌহদত অভিযান চলাইছে। বিজেপি সাংসদ জগন্নাথ সৰকাৰে প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে পশ্চিমবংগত গণতন্ত্ৰ বাৰে বাৰে বিফল হৈছে৷ সেয়েহে ইডি দলক আক্ৰমণ কৰা হৈছে। দেশৰ বিৰুদ্ধে কাম কৰা সংগঠনবোৰ শক্তিশালী হৈ উঠিছে। বোমা, পিষ্টল আদি দিনে দিনে উদ্ধাৰ কৰা হৈছে৷ কিন্তু তেওঁলোকৰ বিৰুদ্ধে কোনো সঠিক ব্যৱস্থা লোৱা হোৱা নাই। সেয়েহে, এই চৰকাৰখন আঁতৰ কৰা আৰু ৰাজ্যখনত জৰুৰীকালীন অৱস্থা ঘোষণা কৰাটো গুৰুত্বপূৰ্ণ। এবাৰ কঠোৰ ব্যৱস্থা ল’লে, সকলো উন্নত হ’ব আৰু কোনেও ইডি দলক আক্ৰমণ কৰিবলৈ সাহস নকৰিব। এই আক্ৰমণ সন্দৰ্ভত বক্তব্য ৰাখি পশ্চিমবংগ বিজেপিৰ প্ৰাক্তন সভাপতি ৰাহুল সিনহাই কয় যে শ্বাহজাহান শ্বেখ সন্দেশখালি অঞ্চলৰ ডন আৰু টিএমচি নেতা। তেওঁৰ বিৰুদ্ধে বহু হত্যাৰ গোচৰ থকা সত্বেও মমতা বেনাৰ্জীৰ আৰক্ষীয়ে কোনো ব্যৱস্থা গ্ৰহণ নকৰে বুলিও তেওঁ অভিযোগ কৰে। উক্ত ঘটনাক গৰিহণা দিয়াৰ লগতে ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে সিনহাই।

# ৯২ বছৰ বয়সত বিশিষ্ট সাংবাদিক যদু কাকতিৰ দেহাৱসান

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৫ জানুৱাৰীঃ** ৰাজ্যৰ বিশিষ্ট সাংবাদিক যদু কাকতিয়ে ৯২ বছৰ বয়সত শুকুৰবাৰে পুৱা শেষ নিশ্বাস ত্যাগ কৰে৷ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাত যদু কাকতিয়ে শেষ নিশ্বাস ত্যাগ কৰে। দীৰ্ঘদিন ধৰি অসুস্থ কাকতিক স্বাস্থ্যজনিত সমস্যাৰ বাবে যোৱা ৮ ডিচেম্বৰত পৰিয়ালে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰাইছিল৷ কাকতিক বিশেষজ্ঞ চিকিৎসকৰ নেতৃত্বত চিকিৎসা কৰি থকা হৈছিল যদিও সুস্থ কৰি তুলিবলৈ সক্ষম নহ'ল৷ তেখেতৰ মৃত্যুত ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, জনসংযোগ মন্ত্ৰী পীযুষ হাজৰিকাই শোক প্ৰকাশ কৰে৷ মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰবীণ সাংবাদিক যদু কাকতিৰ বিয়োগৰ বাতৰিটো পাই মৰ্মাহত হৈছো। ৬০ৰ দশকৰ পৰা সুদীৰ্ঘকাল সংবাদ সেৱাৰ সৈতে জড়িত হৈ তেখেতে সংবাদ জগতলৈ অতুলনীয় অৱদান আগবঢ়াই থৈ গৈছে। গণৰাজ্য দিৱস সাংবাদিক বঁটাৰে সন্মানিত কাকতি ডাঙৰীয়াৰ বিদেহ আত্মাৰ সদগতি কামনাৰ লগতে তেখেতৰ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছো। ৰাজ্যৰ বিভিন্ন দল-সংগঠনেও যদু কাকতিৰ মৃত্যু গভীৰ শোক প্ৰকাশ কৰি অসমৰ সংবাদ জগতৰ বাবে বৃহৎ ক্ষতি বুলি দোহাৰে৷ উল্লেখ্য যে, ১৯৬৬ চনত 'অসম বাতৰি'ৰ জৰিয়তে সাংবাদিকতা আৰম্ভ কৰা কাকতিক ২০২০ চনৰ গণৰাজ্য দিৱসত ৰাজ্য চৰকাৰে সাংবাদিকতা বঁটা প্ৰদান কৰিছিল। ইপিনে ৰাজ্যৰ জ্যেষ্ঠ সাংবাদিক ললিত গগৈয়ে যদু কাকতিৰ সান্নিধ্য লাভ কৰাৰ সময়ৰ কিছু কথা উল্লেখ কৰে৷ বিশিষ্ট সাংবাদিকগৰাকীৰ কাকতৰ সম্পাদক হোৱাৰ সৌভাগ্য নোহোৱাত ললিত গগৈয়ে আক্ষেপ প্ৰকাশ কৰি কয় যে নিজক জহোৱা বা গ্লেমাৰযুক্ত সাংবাদিক নাছিল যদু কাকতি। দায়িত্ব আৰু কৰ্তব্যনিষ্ঠাৰ বাদে কাকো তৈল মৰ্দন কৰিবলৈ শিকা নাছিল। কেবাজনো চৰকাৰৰ মন্ত্ৰী-বিধায়কৰ অতি ঘনিষ্ঠ হোৱা সত্বেও বৃত্তিগত সম্পৰ্কৰ বাদে নিজৰ প্ৰভাৱ খটুৱাই কাহানিও ব্যক্তিগত সা-সুবিধা আহৰণৰ চেষ্টা কৰাৰ নজিৰ নাই। সেয়ে ইমান যোগ্যতা-অৰ্হতা থকা সত্বেও কাকতৰ সম্পাদক হোৱাৰ সৌভাগ্য নহ'ল। তিনিদিনীয়া অগ্ৰদূত কাকতৰ সাংবাদিক হিচাপে ৮০ৰ দশকৰ শেষাৰ্ধত যোগ দিওঁতে তেওঁৰ সান্নিধ্য পাই ধন্য হৈছিল বুলিও কয় গগৈয়ে। ললিত গগৈয়ে আৰু কয় যে তেতিয়াই শাসকীয় মন্ত্ৰী-বিধায়ক আৰু আমোলা-বিষয়াই কেনেকৈ যদু কাকতিক সমীহ কৰিছিল সেয়া প্ৰত্যক্ষ কৰিবলৈ সমৰ্থ হৈছিল। নিজে কাকতৰ সম্পাদক হ'ব নোৱাৰাৰ বাবে খেদ প্ৰকাশ নকৰিলেও কাকতৰ মালিকেই সম্পাদক হোৱা আৰু সাংবাদিকতাৰ লগত সম্পৰ্ক নথকা ব্যক্তিকো অদৃশ্য শক্তিৰ প্ৰভাৱত সম্পাদকৰ পদত বহুৱাই দিয়াতো তেওঁ অশুভ প্ৰৱণতা বুলি কৈ যোৱা বুলিও কয় গগৈয়ে৷

# অসম লোকসেৱা আয়োগৰ চাকৰিৰ কেলেংকাৰীৰ তদন্তক নাটক আখ্যা ডিৱাইএফআইৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৫ জানুৱাৰীঃ** অসম লোকসেৱা আয়োগৰ চাকৰি কেলেংকাৰী তদন্ত নাটকত পৰিণত হোৱা বুলি অভিযোগ উত্থাপন কৰিছে ডেমক্ৰেটিক যুথ ফেডাৰেচন অফ ইণ্ডিয়াৰ অসম ৰাজ্যিক সমিতিয়ে৷ আজি গুৱাহাটীত এখন সংবাদমেল অনুষ্ঠিত কৰি এই কেলেংকাৰীক লৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ সদিচ্ছাৰ অভাৱ বুলি চৰকাৰক আক্ৰমণ কৰে যুৱ বামপন্থী সংগঠনটোৱে৷ সংগঠনটোৱে গুৰুতৰ অভিযোগ উত্থাপন কৰি কয় যে এপিএছচি কেলেংকাৰিক লৈ হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ সদিচ্ছাৰ অভাৱ স্পষ্ট হৈছে। ১৯ মাহ ধৰি ন্যায়াধীশ বি.কে শৰ্মা আয়োগৰ প্ৰতিবেদন ধোঁৱাচাঙত তুলি ন্যায়ালয়ৰ হেঁচাত বিশেষ তদন্তকাৰী গোট গঠন কৰিছে৷ কিন্তু বক্ৰ পথেৰে চাকৰি লোৱা বিষয়াক চৰকাৰে সুৰক্ষা দি আহিছে। ১০ জন মান বিষয়াকো নিলম্বন কৰা নাই বুলি অভিযোগ উত্থাপন কৰি সংগঠনটোৱে কয় যে ৰাজনৈতিক হেঁচাতেই সুৰজিত সিং পাণেচাৰৰ দৰে বিষয়াক আতৰাই তদন্ত লেহেমীয়া কৰিছে নাইবা গাফিলতি কৰিছে বুলি অভিযোগ আনে৷ কেলেংকাৰিৰ মুখ্য হোতা ৰাকেশ পালৰ মুখ্য সহায়ক নন্দ বাবু সিনহাই জামিন লাভ কৰাত ক্ষোভ ব্যক্ত কৰি সংগঠনটোৱে কয় যে নন্দ বাবু সিনহাই জামিনে এছআইটিয়ে কেলেংকাৰিৰ তদন্তক কিমান গুৰুত্ব সহকাৰে লৈছে সেই কথাৰ প্ৰমাণ পোৱা হৈছে। ৪৫ হাজাৰ উত্তৰ বহী জ্বলোৱা নন্দ বাবু সিনহা এই কেলেংকাৰিত জড়িত থকাৰ তথ্য দিব নোৱাৰাত নন্দ বাবু সিনহাই মাত্ৰ তিনি সপ্তাহতেই জামিন পালে বুলি কয় সংগঠনটোৱে। বি.কে শৰ্মা আয়োগ দোষী সাব্যস্ত কৰা ৩৪ এচিএছ-এপিএছক সোধা-পোছা কৰিবলৈ এছআইটিয়ে ৪মাহ সময় ল'লে। ২০২৩ চনৰ ৩০ ছেপ্তেম্বৰ গঠিত এছআইটি-এ দুই তিনিদিনৰ অন্তত দুই-এজনকৈ বিষয়াক মাতি অনা কাৰ্যত সন্দেহ ব্যক্ত কৰিছে ডেমক্ৰেটিক যুথ ফেডাৰেচন অফ ইণ্ডিয়াই৷ পূৰ্বৰ তদন্তকাৰী বিষয়া সুৰজিত সিং পানেচাৰে ৪০ অভিযুক্তক চমন দি গ্ৰেপ্তাৰ কৰাই নহয় সহজে জামিন পৰ্যন্ত পোৱা নাছিল বুলি কৈ সংগঠনটোৱে বৰ্তমানৰ তদন্তক লৈ সন্দেহ প্ৰকাশ কৰে৷ উল্লেখ্য যে লোকসেৱা আয়োগৰ চাকৰিৰ কেলেংকাৰীৰ সৈতে জড়িত একাধিক অভিযুক্তৰ বিৰুদ্ধে কোনো ব্যৱস্থা নোলোৱাৰ গুৰুতৰ অভিযোগ দীৰ্ঘদিন ধৰি উত্থাপিত হৈ আহিছে। একেদৰে ৰাকেশ পালেও শেহতীয়াকৈ জামিনত মুকলি লাভ কৰিবলৈ সমৰ্থ হৈছে।

# যদু কাকতি নিজক জহোৱা সাংবাদিক নাছিল



**বহু কথা**

■ ললিত গগৈ

> **“নিজে কাকতৰ সম্পাদক হ’ব নোৱাৰাৰ বাবে খেদ প্ৰকাশ নকৰিলেও কাকতৰ মালিকেই সম্পাদক হোৱা আৰু সাংবাদিকতাৰ লগত সম্পৰ্ক নথকা ব্যক্তিকো অদৃশ্য শক্তিৰ প্ৰভাৱত সম্পাদকৰ পদত বহুৱাই দিয়াতো তেওঁ অশুভ প্ৰৱণতা বুলি কৈ গ’ল।”**

**নিজক জহোৱা** বা গ্লেমাৰযুক্ত সাংবাদিক নাছিল যদু কাকতি দা। দায়িত্ব আৰু কৰ্তব্যনিষ্ঠাৰ বাদে কাৰো তৈলমৰ্দন কৰিবলৈ শিকা নাছিল। কেইবাখনো চৰকাৰৰ মন্ত্ৰী-বিধায়কৰ অতি ঘনিষ্ঠ হোৱা স্বত্বেও বৃত্তিগত সম্পৰ্কৰ বাদে নিজৰ প্ৰভাৱ খটুৱাই কাহানিও ব্যক্তিগত সা-সুবিধা আহৰণৰ চেষ্টা কৰাৰ নজীৰ নাই। সেয়ে ইমান যোগ্যতা-অৰ্হতা থকা স্বত্বেও কাকতৰ সম্পাদক হোৱাৰ সৌভাগ্য নহল।

আমি নিজেও তিনিদিনীয়া অগ্ৰদূত কাকতৰ সাংবাদিক হিচাপে ৮০ৰ দশকৰ শেষাৰ্ধত যোগ দিওঁতে তেওঁৰ সান্নিধ্য পাই ধন্য হৈছিলো আৰু কনকসেন ডেকাৰ পৰামৰ্শ মতে দিছপুৰৰ অত-তত যাওঁতে কেতিয়াবা লগত নিয়াৰ লগতে বা-বাতৰি সংগ্ৰহৰ পাঠ দিছিল। তেতিয়াই দেখিছিলো শাসকীয় মন্ত্ৰী-বিধায়ক আৰু আমোলা-বিষয়াই কেনেকৈ তেওঁক সমীহ কৰিছিল।

নিজে কাকতৰ সম্পাদক হ’ব নোৱাৰাৰ বাবে খেদ প্ৰকাশ নকৰিলেও কাকতৰ মালিকেই সম্পাদক হোৱা আৰু সাংবাদিকতাৰ লগত সম্পৰ্ক নথকা ব্যক্তিকো অদৃশ্য শক্তিৰ প্ৰভাৱত সম্পাদকৰ পদত বহুৱাই দিয়াতো তেওঁ অশুভ প্ৰৱণতা বুলি কৈ গ’ল। ধান-পতান বিচাৰ নকৰাকৈ বা-বাতৰিৰ অতিৰঞ্জন, চাঞ্চল্যধৰ্মিতা আৰু ৰাজনৈতিক দুৰভিসন্ধিৰ লগতে একাংশ সাংবাদিকৰ অবৃত্তিমূলক কাম-কাজ আৰু ব্যক্তিগত স্বাৰ্থসিদ্ধিৰ নিচাই বৃত্তিটো কলুষিত কৰা বুলিও তেওঁ মত প্ৰকাশ কৰিছিল।

নেতাৰ ভাষ্য বুটলি ফুৰাতকৈ তেওঁ ৰাজনীতিৰ আৰঁৰেৰ উদঙাই দিয়াতহে বেছি অগ্ৰাধিকাৰ দিছিল। আজিৰ নতুন প্ৰজন্মৰ কিমান সাংবাদিকে তেওঁৰ আৰ্দশৰে বাট বোলাৰ পণ লৈছে তাত সন্দেহ আছে।

এক কথাত কোনো গ্লেমাৰৰ পিছত নদৌৰাকৈ আৰু নিজক জাহিৰ নকৰাকৈ নীৰৱে সাংবাদিকতাৰ এছোৱা সময়ৰ আৰ্দশনীয় দৃষ্টান্ত দাঙি ধৰি কাকতি দা আজি এই পৃথিৱীৰ পৰা চিৰ বিদায় মাগিলে। নিজে আশা নকৰিলেও বিজেপি চৰকাৰে জীৱনৰ বিদায় বেলাত হলেও তেওঁক গণৰাজ্য দিৱস সাংবাদিকতা বটাঁৰে সন্মান জনোৱাতো প্ৰশংসনীয় কাম আছিল।

■ সম্পাদকীয় ■

শুকুৰবাৰ,
৫ জানুৱাৰী, ২০২৪।।
নিশা ১০ বজা

## চালকৰ সফল প্ৰতিবাদ

ঐক্যৱদ্ধ প্ৰতিবাদলৈ ভয় কৰে মোদী চৰকাৰে। ৰাজধানী কঁপোৱা কৃষকৰ ঐক্যবদ্ধ প্ৰতিবাদৰ পিছতে চৰকাৰে বাতিল কৰিছিল কৃষকক ডিঙি চেপা দিয়া তিনি ক’লা আইন। এইবাৰ ৰাজপথত কৃষক নহয়, এইবাৰ ৰাজপথত আন্দোলন চালকৰ। ইতিমধ্যেই ট্ৰাক, টেংকাৰ, টেক্সি চালকৰ গণ আন্দোলনে কঁপাইছে সমগ্ৰ দেশ। আজি আন্দোলনৰ চতুৰ্থ দিন। কিন্তু কৃষকৰ প্ৰতিবাদত সেও মানি তিনি ক’লা আইন প্ৰত্যাহাৰ কৰা মোদী চৰকাৰ এইবাৰো হ’বনে দেশৰ চালিকাশক্তি চালকৰ ওচৰত নতশিৰ? দেশৰ কোটি কোটি জনতাৰ মনত উত্থাপন হোৱা এই প্ৰশ্নৰ উত্তৰ অতি শীঘ্ৰেই লাভ হ’ব বুলি আশাবাদী সকলো। ভাৰতীয় ন্যায় সংহিতাত মোদী চৰকাৰে কৰা সংশোধনেই সূচনা কৰিছে এই বিক্ষোভৰ। এই আইন সংশোধনৰ জৰিয়তে হিট এণ্ড ৰান গোচৰত চালকৰ শাস্তি ১০ বছৰলৈ বৃদ্ধি কৰাৰ লগতে ৭ লাখ টকা জৰিমনাৰ বিধান প্ৰৱৰ্তন কৰা হৈছে। কিন্তু চৰকাৰৰ এই নতুন আইন মানি ল’ব পৰা নাই দেশৰ লাখ লাখ চালকে। যাৰ বাবে এতিয়া এই আইন বাতিলৰ দাবীত ৰাজপথত নামিছে প্ৰায় প্ৰতিখন ৰাজ্যৰে ট্ৰাক, বাছ, টেক্সি, টেংকাৰ আদি চালকসকল। কেন্দ্ৰীয় চৰকাৰৰ মতে, দেশৰ ৰাজপথত সংঘটিত দুৰ্ঘটনা প্ৰতিৰোধৰ বাবেই প্ৰৱৰ্তন কৰা হৈছে এই আইন। কিন্তু চৰকাৰৰ এই যুক্তিত সৈমান নহয় চালকসকল। চালকৰ মতে দুৰ্ঘটনা কোনোৱে কৰো বুলি নকৰে, দুৰ্ঘটনা হৈ যায়। এনে ক্ষেত্ৰত দুৰ্ঘটনাৰ বাবে চালকৰ শাস্তি ১০ বছৰ যথেষ্ট বেছি। তদুপৰি মাহত ২০-২৫ হাজাৰ টকা উপাৰ্জন কৰা এজন চালকে ৭ লাখ টকা জৰিমনা ভৰিবই বা ক’ৰ পৰা?

# আমেৰিকাৰ বিদ্যালয়ত বন্দুকধাৰী কিশোৰৰ গুলীচালনা, হতাহত ৬ জন

**নিউয়ৰ্ক, ৫ জানুৱাৰীঃ** আমেৰিকা যুক্তৰাষ্ট্ৰত পুনৰ স্কুলত সংঘটিত হৈছে বৰ্বৰ গুলীচালনা কাণ্ড। ৪ জানুৱাৰীত মধ্য-পশ্চিম আমেৰিকাত উচ্চ মাধ্যমিক বিদ্যালয়ত বন্দুকধাৰী কিশোৰে ছাত্ৰ-শিক্ষকক লক্ষ্য কৰি নিৰ্বাচিৰ গুলীচালনা কৰে। এই গুলীচালনাত এজন ছাত্ৰ নিহত হোৱাটো স্পষ্ট কৰিছে আৰক্ষীয়ে। আইৱা ৰাজ্যত সংঘটিত গুলীচালনাক লৈ আইৱা ডিভিজন অৱ ক্ৰিমিনেল ইনভেষ্টিগেচনৰ সহকাৰী সঞ্চালক মিচ মৰ্টভিডেটৰে কয় যে ১৭ বছৰীয়া শ্বুটাৰে গুলীচালনা কৰাৰ ফলত এজন ছাত্ৰই প্ৰাণ হেৰুৱাইছে, চাৰিজন শিক্ষাৰ্থী আৰু এজন বিদ্যালয় প্ৰশাসক আহত হৈছে। গুলীবিদ্ধ এজনৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে। পেৰী হাই স্কুলৰ অধ্যক্ষ ডেন মাৰ্বাৰ্গাৰে গুলীবিদ্ধ হোৱাসকলৰ ভিতৰত আছে বুলি সন্দেহ কৰা হৈছে। গুলীবৰ্ষণ কৰা ছাত্ৰজনক উচ্চ বিদ্যালয়ৰ ১৭ বছৰীয়া ছাত্ৰ ডিলান বাটলাৰ বুলি চিনাক্ত কৰা হৈছে। ডিলান বাটলাৰে হাতত এটা পাম্প-একচন শ্বটগান আৰু এটা সৰু-কেলিবাৰ হেণ্ডগান লৈ স্কুলত প্ৰৱেশ কৰিছিল। তাৰ পাছতে যেনি-তেনি নিৰ্বিচাৰ গুলীচালনা কৰিবলৈ আৰম্ভ কৰিছিল। পাছত এটা ভৱনত সোমাই গুলীচালনা কৰিবলৈ আৰম্ভ কৰে।  সেই সময়ত ভৱনটোত অতি কম ছাত্ৰ আছিল। ছাত্ৰ-শিক্ষক কম থকাত হতাহতৰ সংখ্যা কম হৈছে বুলি ধাৰণা কৰা হৈছে। শীতৰ বন্ধ সমাপ্ত হোৱাৰ লগতে স্কুল আৰম্ভ হোৱাৰ দিনটোতে গুলীচালনাৰ ঘটনা সংঘটিত হোৱাত আতংকিত হৈছে ছাত্ৰ-শিক্ষক।

# বিটিচিৰ ৯৫ গৰাকী ফিক্সড পে’ কৰ্মচাৰীৰ চাকৰি নিয়মীয়াকৰণ




**ই-সংবাদ, কোকৰাঝাৰ, ৫ জানুৱাৰীঃ** বিটিচিৰ বিধান পৰিষদীয় ভৱনৰ প্ৰেক্ষাগৃহত আজি আয়োজিত হোৱা এক অনুষ্ঠানৰ জৰিয়তে ৯৫ গৰাকী ফিক্সড পে' কৰ্মচাৰীক চাকৰি নিয়মীয়াকৰণৰ নিযুক্তি পত্ৰ বিতৰণ কৰে বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে। বিটিআৰৰ ২১ টা বিভাগত নিযুক্তি পত্ৰ লাভ কৰা ৯৫ গৰাকী কৰ্মচাৰীৰ ভিতৰত ৫ গৰাকী তৃতীয় বৰ্গৰ আৰু বাকী ৯০ গৰাকীক চতুৰ্থ বৰ্গৰ বুলি জানিব পৰা গৈছে। উল্লেখ্য যে আজি নিযুক্তি পত্ৰ লাভ কৰ্মচাৰীসকল বিগত ২০১১ চনৰ পৰাই বিটিআৰৰ বিভিন্ন বিভাগত ফিক্সিড পে' কৰ্মচাৰী হিচাপে কাম কৰি আহিছিল। ইপিনে নিযুক্তি পত্ৰ বিতৰণৰ অন্তত প্ৰমোদ বড়োৱে সাংবাদিকৰ আগত কয় যে পূৰ্বৰ চৰকাৰে বহু ভুল কৰি থৈ গৈছে। সাক্ষাৎকাৰ নোহোৱাকৈ পূৰ্বৰ চৰকাৰে বহুত নিযুক্তি দিছে। নিৰ্বাচনৰ পূৰ্বে কোনো নীতি নিয়ম নোহোৱাকৈ পূৰ্বৰ চৰকাৰে নিযুক্তি দি থৈ গৈছে যিবোৰ নিয়মীয়াকৰণ কৰিব পৰা অৱস্থাত নাই। বিটিচি সচিবালয়ত খালী হৈ থকা তৃতীয় আৰু চতুৰ্থবৰ্গৰ পদসমুহ সম্পূৰ্ণ নিয়মানুসাৰে পুৰণ কৰা হ'ব বুলি মন্তব্য কৰি প্ৰমোদ বড়োৱে অতিশীঘ্ৰে বিটিআৰৰ প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়ৰ প্ৰায় ২৮০০ টা পদত নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব বুলি কয়। আজিৰ অনুষ্ঠানত বিটিচিৰ কাৰ্যবাহী সদস্য ৰেওৰেৱা নাৰ্জিহাৰী, ধনঞ্জয় বসুমতাৰী, ৰঞ্জিত বসুমতাৰী, নিলুৎ স্বৰ্গীয়াৰী, অৰূপ কুমাৰ দে, বিটিচিৰ প্ৰধান সচিব আকাশ দ্বীপ উপস্থিত আছিল।

শেষ পৃষ্ঠা

# বৰ্ষশ্ৰেষ্ঠ ক্ৰিকেটাৰৰ দৌৰত কোহলী, জাদেজা

**ডুবাই, ৫ জানুৱাৰীঃ** আই চি চি বৰ্ষশ্ৰেষ্ঠ ক্ৰিকেটাৰৰ দৌৰত আছে ভাৰতৰ ষ্টাৰ বেটাৰ বিৰাট কোহলী আৰু নিৰ্ভৰযোগ্য অল ৰাউণ্ডাৰ ৰবীন্দ্ৰ জাদেজা। কোহলীয়ে বিগত ২০২৩ বছৰটোত টেষ্ট আৰু এদিনীয়া মিলি ৩৫ খেলত ভাগলৈ সংগ্ৰহ কৰিছে ২০৪৮ ৰাণ। ইয়াৰ ভিতৰত আছে শচীন তেণ্ডুলকাৰক অতিক্ৰম কৰি এদিনীয়াত ৫০ টা অৰ্দ্ধ শতৰাণ কৰাৰ অভিলেখটোও আছে। এই অভিলেখ তেওঁ বিশ্বকাপৰ মাজতে কৰিছিল। অলৰাউণ্ডাৰ ৰবীন্দ্ৰ জাদেজাই একে সংখ্যক মেছত ভাগলৈ ৬১৩ ৰাণ কৰাৰ লগতে সংগ্ৰহ কৰিছে ৬৬ টা উইকেট। আই চি চিৰ বৰ্ষশ্ৰেষ্ঠ ক্ৰিকেটাৰৰ গেৰী ছোবৰ্ছ বঁটা জয় কৰাৰ বাবে তেওঁলোকে অষ্ট্ৰেলিয়াৰ বিশ্বকাপ জয়ী অধিনায়ক পেট কামিন্স আৰু তেওঁৰ সতীৰ্থ ট্ৰেভৰ হেডৰ লগত প্ৰতিদ্বন্দ্বিতা কৰিব লাগিব। আনহাতে বৰ্ষশ্ৰেষ্ঠ টেষ্ট ক্ৰিকেটৰ দৌৰত আছে অফ স্পিনাৰ ৰবীচন্দ্ৰন অশ্বিন।



গুৱাহাটীৰ কামাখ্যা মন্দিৰত কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি জুবিন ইৰাণীৰ পূজা-অৰ্চনা



চীনৰ বেইহাই উদ্যানত সংগীৰ সৈতে সুন্দৰী হাঁহ (মেণ্ডেৰিন ডাক)ৰ জলকেলি

# ২ কোটিত বিক্ৰী ডাউদৰ ১৫ হাজাৰৰ পৈতৃক সম্পত্তি

**অনলাইন ফিচাৰ্ছ, ৫ জানুৱাৰীঃ** নিলামত ২ কোটি টকাত বিক্ৰী হ'ল কুখ্যাত গেংষ্টাৰ ডাউদ ইব্ৰাহিমৰ এটুকুৰা পৈতৃক ভূমি। শুকুৰবাৰে ১৫ হাজাৰ ৪৪০ টকা দামৰ পৰা আৰম্ভ হোৱা নিলামত এগৰাকী প্ৰাক্তন শিৱ সেনাৰ নেতাই ক্ৰয় কৰে ডাউদ ইব্ৰাহিমৰ পৈতৃক কৃষিভূমি টুকুৰা। কুখ্যাত গেংষ্টাৰজনৰ পৰিয়ালৰ ৪টা সম্পত্তিৰ শুকুৰবাৰে নিলাম কৰে স্মাগলাৰ্ছ এণ্ড ফৰেইন এক্সচেঞ্জ ম্যানিপুলেটৰ্ছ (ফৰ ফিচাৰ অব প্ৰপাৰ্টি) অথৰিটিয়ে। অৱশ্যে নিলামত উঠা দুটা সম্পত্তিৰ বাবে কোনো আগবাঢ়ি নহাৰ বিপৰীতে ৰত্নাগিৰি জিলাৰ মুম্বাই গাঁৱৰ প্ৰায় ১৭০ বৰ্গমিটাৰৰ কৃষিভূমি টুকুৰা ক্ৰয় কৰে এগৰাকী প্ৰাক্তন



শিৱসেনাৰ নেতাই। আনহাতে আনটুকুৰা ১,৭৩০ বৰ্গমিটাৰৰ কৃষিভূমি নিলামত বিক্ৰী হয় ৩ লাখ ২৮ হাজাৰ টকাত। শিৱ সেনাৰ প্ৰাক্তন নেতাগৰাকীয়ে ইমান বৃহৎ মূল্যত কৰা ডাউদৰ পৈতৃক সম্পত্তিত এখন সনাতন বিদ্যালয় খুলিব বুলি মন্তব্য কৰে। উল্লেখ্য যে, ২০২০ চনত নিলামত ডাউদৰ পৰা এটা বাংলোও ক্ৰয় কৰিছিল তেওঁ। য'ত তেওঁ সনাতন ধৰ্ম পাঠশালা ন্যাস আৰম্ভ কৰিছিল। প্ৰণিধানযোগ্য যে, ১৯৯৩ চনৰ মুম্বাইৰ ধাৰাবাহিক বিস্ফোৰণ কাণ্ডৰ মাষ্টাৰমাইণ্ড কুখ্যাত গেংষ্টাৰ ডাউদ ইব্ৰাহিমৰ আন কেইবাটাও সম্পত্তি নিলাম কৰা হৈছে যদিও বেছিভাগ সম্পত্তিয়েই ক্ৰয় কৰিবলৈ কোনো ক্ৰেতা আগবাঢ়ি নাহে। প্ৰশাসনৰ এটা অংশৰ মতে, মাফিয়াৰ ৰোষত পৰাৰ ভয়তে ডাউদৰ সম্পত্তি ক্ৰয় কৰিবলৈ আগবাঢ়ি নাহে ক্ৰেতা।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান